# উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰম
# বিষয় ঃ বিহু

**আগকথা** ঃ সংস্কৃতি— এটা জাতিৰ দাপোণ স্বৰূপ। জাতিৰ বৰপীৰাত সংস্কৃতিৰ অংগসমূহক শুদ্ধৰূপত উপস্থাপন কৰাটো এটা অতি সময়োপযোগী বিষয়। বৰ অসমৰ জনগোষ্ঠীয় সংস্কৃতিৰ সংমিশ্ৰণৰ ঐতিহ্যময় বৰ্ণিল ইতিহাসত অসমৰ জাতীয় জীৱনৰ আয়ুস-ৰেখা বিহুৱে স্বকীয় বৈচিত্ৰ্যৰে মহীয়ান হৈ বৰ অসমৰ সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখিছে। অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়া সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিহুৱে যি ভূমিকা পালন কৰিব পাৰে, অসমীয়া সংস্কৃতিৰ অনান্য উপাদানসমূহক এই ক্ষেত্ৰত একে শাৰীতে ৰাখিব নোৱাৰি। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোৰে ওপৰত বিহুৰ প্ৰভাৱ অপৰিসীম। সেয়েহে বিহুক অসমীয়া জাতিৰ "আয়ুস-ৰেখা আৰু জন-জীৱনৰ সাহ" বুলি কোৱা হয়। এই বিহুক শুদ্ধৰূপত উপস্থাপন কৰাটো সময়ৰ আহ্বান আৰু এটা জাতিৰ প্ৰতি থকা দায়বদ্ধতা পালনৰ এক সময়োচিত পদক্ষেপ।

সুকুমাৰ কলাৰ অংগসমূহৰ ভিতৰত বিহুৰ প্ৰায়োগিক দিশৰ ব্যৱহাৰত ভৱিষ্যৎ প্ৰজন্মৰ বাবে ন ন আৱিস্কাৰ আৰু এই বিলাকৰ ওপৰত নিৰ্ভৰ কৰি জীৱন-জীৱিকাত ধনাত্মক উপজীব্য প্ৰদান কৰাৰ বহুতো থল আছে। পৰিবেশ্য কলাৰ উপাদানসমূহৰ ভিতৰত বিহুৰ গ্ৰহণযোগ্যতা আৰু নিৰ্ভৰশীলতাৰ সুযোগ দেধাৰ। কেৱল অসম বা ভাৰতৰ ভিতৰতে নহয়, বিশ্বৰ বিভিন্ন প্ৰান্তত এই কলাৰ পৰিবেশনৰ যোগেদি জীৱিকাৰ সন্ধান উলিওৱাৰ সুযোগ আছে। পৃথিৱীৰ সভ্যতাত পৰিবেশ্য কলাৰ যি স্থান আছে, অন্য উপাদান ইয়াৰ সমকক্ষ হোৱাটো একে আষাৰে স্বীকাৰ কৰিব নোৱাৰি। সেয়েহে বিহু ভৱিষ্যত প্ৰজন্মৰ মাজত সংস্কৃতিৰ বৰপেৰাৰ প্ৰধান উপজীব্য হিচাপে থকাৰ উপৰি এক জীৱিকাৰ আহিলা হ'ব পাৰে বুলি বিনাদ্বিধাই ক'ব পাৰি। ঐচ্ছিক বিষয় হিচাপে উচ্চতৰ মাধ্যমিকৰ পাঠ্যক্ৰমত বিহুৰ সংযোজনে ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

**উদ্দেশ্যাৱলী** ঃ বিহুক এক ঐচ্ছিক বিষয় হিচাপে অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে

ক) বিহুৰ ক্ৰমবিকাশ সম্পৰ্কে থকা ঐতিহাসিক তথ্যৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিবলৈ সক্ষম হ'ব।

খ) বিহুনামৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব।

গ) বিহুনাম তথা বিহুনৃত্যৰ লগত সংগতি ৰাখি বিহুবাদ্যৰ বিভিন্ন ছেও চাপৰ সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব।

ঘ) বিহুৰ লগত জড়িত বিভিন্ন লোকাচাৰ, লোক-বিশ্বাস, খাদ্যাভ্যাস, খেল-ধেমালি তথা সাজ-পাৰ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব পাৰিব।

ঙ) বৰ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিহুৰ লোকাচাৰ আৰু পালনৰ বিভিন্নতাৰ বিষয়েও জানিব পাৰিব।

## গোট অনুযায়ী নম্বৰ বিভাজন

### তাত্বিক

**(মুঠ নম্বৰ ঃ ৩০)**

| | | নম্বৰ |
|---|---|---|
| গোট - ১ | বিহুৰ লোকাচাৰ আৰু লোকবিশ্বাস<br>লোকাচাৰ আৰু লোকবিশ্বাসৰ সংজ্ঞা<br>তিনি বিহুৰ লোকাচাৰ আৰু লোকবিশ্বাসৰ স্থানীয় ৰূপ<br>ব'হাগ বিহুৰ লগত জড়িত লোকাচাৰ আৰু লোকবিশ্বাস<br>কাতি বিহুৰ লগত জড়িত লোকাচাৰ আৰু লোকবিশ্বাস<br>মাঘ বিহুৰ লগত জড়িত লোকাচাৰ আৰু লোকবিশ্বাস | ০৬ |
| গোট - ২ | বিহুবাদ্যৰ বিভিন্ন ছেও-চাপৰৰ শ্ৰেণীবিভাগ আৰু প্ৰকৃতি<br>হুঁচৰিৰ ছেও-চাপৰ<br>মুকলি বিহুৰ ছেও-চাপৰ (ডেকা - গাভৰুৰ মুকলি বিহু)<br>গাভৰু বিহুত ব্যৱহৃত বাদ্য— টকা, গগনা, সুতুলি | ০৬ |
| গোট - ৩ | বিহুৰ খাদ্য-সম্ভাৰ আৰু খেল-ধেমালি | ০৭ |
| গোট - ৪ | বিহু উৎসৱৰ গীত - নাচৰ পৰম্পৰাগত ৰূপ<br>হুঁচৰিৰ পৰম্পৰাগত ৰূপৰ ধাৰণা<br>মুকলি বিহুৰ পৰম্পৰাগত ৰূপৰ ধাৰণা<br>গাভৰু বিহুৰ পৰম্পৰাগত ৰূপৰ ধাৰণা | ০৬ |
| গোট -৫ | জনগোষ্ঠীয় বিহুৰ পৰম্পৰা (যিকোনো এটা)<br>(ক) সোনোৱাল কছাৰী জনগোষ্ঠীয় বিহু<br>(খ) মৰাণ জনগোষ্ঠীয় বিহু<br>(গ) তিৱা জনগোষ্ঠীয় বিহু<br>(ঘ) কোচ-ৰাজবংশী জনগোষ্ঠীয় বিহু | ০৫ |

## প্ৰায়োগিক

**(মুঠ নম্বৰ ঃ ৭০)**

| | | নম্বৰ |
|---|---|---|
| ১. | বিহু নাম গোৱাৰ অনুশীলন | ১৫ |
| | ক) ডেকা গাভৰুৰ মুকলি বিহুত গোৱা বিহুনাম | ১২ |
| | সুৰ, তাল -লয়, যোজনা, যোৰানাম, জাতনাম, ঠেলানাম আদি | |
| | খ) মৌখিক | ০৩ |
| ২. | বিহু বাদ্যৰ অনুশীলন | ২৫ |
| | (ক) ঢোলৰ ছেও- চাপৰ ঃ লহৰী, বুঢ়া ছেও বা কছাৰী ছেও, হুৰালি ছেও, কাঁহী ঘুৰুৱা ছেও, নাচনি ছেও আৰু ঢোলৰ প্ৰস্তুত প্ৰণালী | ১২ |
| | (খ) পেঁপা বাদনৰ আখৰা ঃ প্ৰস্তুত প্ৰণালী আৰু পৰিবেশন শৈলী | ০৮ |
| | (গ) মৌখিক | ০৫ |
| | নাইবা | |
| | (ঘ) গগনা বাদনৰ আখৰা ঃ প্ৰস্তুত প্ৰণালী আৰু পৰিবেশন শৈলী | ০৮ |
| | (ঙ) টকা বাদনৰ আখৰা ঃ প্ৰস্তুত প্ৰণালী আৰু পৰিবেশন শৈলী | ০৬ |
| | (চ) সুতুলি বাদনৰ আখৰা ঃ প্ৰস্তুত প্ৰণালী আৰু পৰিবেশন শৈলী | ০৬ |
| | (ছ) মৌখিক | ০৫ |
| ৩. | বিহু নাচৰ অনুশীলন ঃ | ২০ |
| | (ক) বিহুৱাৰ বিহু নাচৰ ভংগিমা (পাঠ্যপুথিৰ অন্তৰ্গত শেষৰ চাৰিটা) | ০৮ |
| | নাইবা | |
| | বিহুৱতীৰ বিহু নাচৰ ভংগিমা (পাঠ্যপুথিৰ অন্তৰ্গত শেষৰ চাৰিটা) | |
| | (খ) জনগোষ্ঠীয় বিহুনাচৰ আখৰা (পাঠ্যপুথিৰ অন্তৰ্গত যিকোনো এটা) | ০৮ |
| | (গ) মৌখিক | ০৪ |
| ৪. | বিহুৰ খাদ্য -সম্ভাৰ আৰু খেল -ধেমালিৰ লগত পৰিচয় | ১০ |